**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-11-2024
**Time :** 2125 Hrs

***Assamese Night Bulletin***
**-----------------------**

অহা বছৰৰ ফেব্ৰুৱাৰী মাহত ৰাজ্যত হ'বলগীয়া অসম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন সন্দৰ্ভত আলোচনাৰ বাবে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। **এডভাণ্টেজ আছাম ২.০** শীৰ্ষক এই সন্মিলনৰ প্ৰস্তুতিৰ বিভিন্ন দিশ সম্পৰ্কে বৈঠকখনত খৰচি মাৰি আলোচনা কৰা হয়। এই সন্মিলনৰ মূল খণ্ড, অংশীদাৰী দেশ আৰু অন্যান্য প্ৰাসংগিক বিষয়ে বৈঠকত স্থানলাভ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বৈঠকত অংশ লৈ অসমৰ অনন্য শক্তি আৰু ইয়াৰ সম্ভাৱনাক ব্যৱসায়ৰ উত্তম স্থান হিচাপে বিকশাই তুলিবলৈ সামূহিক প্ৰচেষ্টা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে এই সন্মিলনে অসমক বিনিয়োগ আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত আৰ্হি ৰাজ্য হিচাপে গঢ়ি তোলাত সহায় কৰিব। বৈঠকত ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী আৰু বিভাগীয় শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০

মৰাণ জনগোষ্ঠীৰ লগতে বৃহত্তৰ অসমীয়া জাতিৰ বাবে বীৰ ৰাঘৱ মৰাণ সাহস আৰু কৰ্মচেতনাৰ যুগজয়ী প্ৰতীক বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মন্তব্য কৰে। আজি বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক জয়ন্তীৰ সামৰণি অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় বন্দৰ  জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে উল্লেখ কৰে। তেওঁ কয়, যে বীৰগৰাকীৰ অদম্য মনোবল আৰু জনতাৰ প্ৰতি থকা দায়বদ্ধতা আৰু নেতৃত্বই জাতীয় জীৱনক অনুপ্ৰাণিত কৰি আহিছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তিনিচুকীয়া জিলাৰ কাকপথাৰত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত আজি বীৰগৰাকীৰ জীৱনগাঁথাক লৈ প্ৰকাশ কৰা স্মৰণিকা-বীৰ ৰাঘৱ উন্মোচন কৰে ডুমডুমা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড০ প্ৰাণজিৎ শইকীয়াই। ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, ৰাজ্যৰ শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক বলীন চেতীয়া, সুৰেন ফুকন, ৰূপেশ গোৱালা, ঋতুপৰ্ণ বৰুৱাকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০

৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজি গোৱাৰ পানাজীত আৰম্ভ হৈছে। অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ ছবি প্ৰদৰ্শন আৰম্ভ হয়। আজি বিয়লি ৫ বজাত পানাজীৰ শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই মহোৎসৱে ভাৰতত চলচ্চিত্ৰ উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সম্প্ৰতি দেশত বহুলোক উদ্ভাৱনীমূলক বিষয়ৰ সৃষ্টিৰ দ্বাৰা আগবাঢ়ি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ভাৰতক ন-ন বিষয় উদ্ভাৱনৰ দ্বাৰা কণ্টেণ্ট ক্ৰিয়েটৰ্ছ ইকোনমি হিচাপে বিকশাই তোলাৰ লক্ষ্য লোৱা হৈছে বুলি জানিবলৈ দিয়ে। আজিৰ অনুষ্ঠানতে **ৱেভছ** শীৰ্ষক প্ৰচাৰ ভাৰতীৰ OTT প্লেটফৰ্ম আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শিত হ'ব। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ ছবি প্ৰদৰ্শিত হ'ব।

০০০০০

বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা জনসাধাৰণক সকাহ দিয়াৰ উদ্দেশ্যে নলবাৰী, বাক্সা আৰু তামুলপুৰ জিলাৰ প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু বন বিভাগৰ বিষয়াক লৈ এটা কৰ্মবাহিনী গঠন কৰা হৈছে। এই বাহিনীয়ে কাইলৈ কাম-কাজ আৰম্ভ কৰিব। আজি নলবাৰী জিলাৰ আয়ুক্তৰ সভাকক্ষত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই তিনিওখন জিলাৰ আয়ুক্তৰ সৈতে বৈঠকত মিলিত হোৱাৰ পাছত এই সিদ্ধান্ত লোৱা হয়। তেওঁ কয়, যে ভূটান পাহাৰৰ নামনিৰ এই তিনিওখন জিলালৈ বনৰীয়া হাতীৰ জাক ভূটান পাহাৰৰ পৰা নামি আহিলে আৰম্ভণিতে যাতে হাতীক ক্ষতি নকৰাকৈ খেদি পঠিয়াব পৰা যায় তাৰ বাবে নিৰীক্ষণ চকী স্থাপন কৰি নিৰীক্ষণৰ ব্যৱস্থা কৰা হ'ব।

০০০০০

আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চে আজি গুৱাহাটীৰ দিছপুৰ থানাৰ অন্তৰ্গত দ্বাৰকানগৰৰ অৰুণোদয় পথত অভিযান চলাই ৫ লাখ ৬৭ হাজাৰ টকাৰ জালনোট জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে লখিমপুৰৰ মইনুল হক নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। অভিযুক্ত লোকজনৰ পৰা আৰক্ষীয়ে জালনোট ছপা কৰা এটা মেচিনো জব্দ কৰে।

০০০০০

ওদালগুৰি জিলা সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ নিৰ্বাচনী ফলাফল আজি ঘোষণা কৰা হয়। এই অনুসৰি তজৰ আলী আহমেদে সভাপতি, সন্তৰাম কছাৰীয়ে উপ-সভাপতি আৰু দিবাকৰ বৰাই বিনা প্ৰতিদ্বন্দ্বিতাৰে সম্পাদক পদ লাভ কৰিছে। আজিৰ অনুষ্ঠানত অসম সাহিত্য সভাৰ পৰৱৰ্তী কাৰ্যকালৰ নিৰ্বাচনৰ বাবে বেলট পেপাৰসমূহো বিতৰণ কৰা হয়।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। প্ৰকাশন প্ৰতিষ্ঠান তথা অন্যান্য বিপণীৰ বাবে ইতিমধ্যে আবেদন পত্ৰ মুকলি কৰা হৈছে। গুৱাহাটীৰ বামুণীমৈদামত থকা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় তথা পাণবজাৰৰ যশৱন্ত পথৰ সৰস্বতী মাৰ্কেটত থকা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ কাৰ্যালয় আৰু www.publicationboardassam.com ৱেবছাইটৰ পৰা আবেদন সংগ্ৰহ কৰিব পাৰিব। সংগৃহীত আবেদন পত্ৰসমূহ পূৰণ কৰি অহা ৩ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অসমৰ লগতে দেশ-বিদেশৰ বহুকেইটা আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে ইতিমধ্যে অসম গ্ৰন্থমেলা, গুৱাহাটীত অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিছে। উল্লেখযোগ্য যে উৰণ সেতু নিৰ্মাণৰ বাবে চানমাৰিত হৈ থকা যান-জঁটৰ পৰিপ্ৰেক্ষিতত বিকল্প স্থান হিচাপে খানাপাৰাত এইবাৰৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত